# সুদীৰ্ঘ ৫২ বছৰে পূৰ্ণ মৰ্যাদা নোপোৱা ৰাজ্যভাষা অসমীয়া

**❑ তিলক চন্দ্ৰ মজুমদাৰ**

**'অসমীয়াত নিলিখা বাবে দণ্ড ঃ**
গুৱাহাটী ঃ গুৱাহাটীৰ ছেছন ন্যায়াধীশ (বিশেষ) শ্ৰীজি এছ বসুমতাৰীয়ে ফাঁচীবজাৰৰ মেছাৰ্ছ সুৰেশ কুমাৰ জৈন আৰু কোম্পানীৰ ব্যৱসায়ী শ্ৰীসুৰেশ কুমাৰ জৈন আৰু শ্ৰীনিৰ্মল কুমাৰ জৈনক 'অসম অনুজ্ঞা-পত্ৰ আইনৰ ১৫নং দফা ভংগ কৰা অপৰাধত দোষী সাব্যস্ত কৰি অত্যাৱশ্যকীয় সামগ্ৰী আইনৰ ৭নং ধাৰা মতে প্ৰত্যেককে তিনি মাহকাললৈ কাৰাদণ্ড আৰু ৫০০ টকাকৈ জৰিমনা আদায়ৰ হুকুম দিছে।

ঘটনাৰ সংক্ষিপ্ত বিৱৰণি এই যে যোৱা ২২/৪/৮৭ তাৰিখে গুৱাহাটীৰ যোগান বিভাগৰ বিষয়াই পদকীয়াৰ ফাঁচীবজাৰস্থিত ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ মজুত আৰু মূল্যমান লিখা ফলি পৰিদৰ্শন কৰেগৈ। পৰিদৰ্শন কৰি যোগান বিষয়াই প্ৰতিষ্ঠানটোৰ ফলিত স্থানীয় ভাষাত (অসমীয়া) লিখা অৱস্থাত নাপালে। আইনমতে উক্ত মজুত আৰু মূল্যমান লিখা ফলিখন স্থানীয় ভাষাত লিখিব লাগে। পদকীয়াগণে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আইনৰ ৭নং ধাৰা ভংগৰ অপৰাধত যোগান বিভাগৰ বিষয়াগণে মোকৰ্দমাটো বিচাৰৰ বাবে ছেছন (বিশেষ) ন্যায়াধীশৰ আদালতলৈ পঠায় আৰু ন্যায়াধীশে বিচাৰৰ শেষত উক্ত ধৰণে শাস্তিৰ হুকুম দিয়ে।

লোক অভিযোক্তা শ্ৰীআটাউৰ ৰহমান আৰু খাদ্য উপপৰিদৰ্শক শ্ৰীডি গগৈয়ে চৰকাৰৰ পক্ষে অধিবক্তাদ্বয় শ্ৰীএছ এছ শৰ্মা আৰু ডি কে ভাত্ৰাই পদকীয়াৰ পক্ষক সমৰ্থন কৰে।'

উপৰ্যুক্ত লিপিসহ গুৰুত্বপূৰ্ণ কথাখিনি প্ৰকাশ হৈছিল 'দৈনিক অসম' (১২ এপ্ৰিল, ১৯৮৭)ত চৰকাৰী ভাষা আইন (১৯৬০) গৃহীত হোৱাৰ সাতাইশ বছৰ পিছত আৰু বৰ্তমান বছৰ ২০১২ চনৰপৰা পঁচিশ বছৰ পূৰ্বে। অসমত ৰাজ্যভাষা অসমীয়া অৰ্থাৎ ৰাজ্যভাষা আইন বিধানসভাত গৃহীত হোৱাৰ বাৱন্ন বছৰ পূৰ্ণ হয়হি এথোন। ইতিমধ্যে চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকালয়ে (ৰাজনৈতিক বিভাগ) ১৯৬০ চনত ভাষা আইন গৃহীত হোৱাৰ পঁচিশবছৰ পূৰ্ণ হোৱা উপলক্ষ্যে ১৯৮৫ চনৰ ডিচেম্বৰত গুৱাহাটীৰ 'ৰবীন্দ্ৰ ভৱন'ত চৰকাৰী ভাষা আইনৰ ৰূপালী জয়ন্তী আড়ম্বৰপূৰ্ণভাৱে পালন কৰে। সেইমতে ২০১০ চনত চৰকাৰী ভাষা আইন গৃহীত হোৱাৰ ৫০ বছৰ উপলক্ষে সোণালী জয়ন্তীও পালন কৰা হ'ল নিশ্চয়। ইয়াৰ পৰৱৰ্তী সময়ত ৬০ বৰ্যত হীৰক জয়ন্তী, ৭৫ বৰ্যত মহাৰজত জয়ন্তী, ১০০ বৰ্যত শতবৰ্ষ জয়ন্তী ক্ৰমান্বয়ে পাতি থকাৰ পথ মুকলি হৈ থাকিল। ঢাক-ঢোল বজাই ৰং-ৰহইচৰ উৎসৱ-মহোৎস্বৱৰে চৰকাৰৰ ভাষা-আইনৰ জয়ন্তী ভৱিষ্যতে চলি থাকক আৰু আনফালে চৰকাৰী কাৰ্যালয়, বিভিন্ন শিক্ষানুষ্ঠান আদিত ৰাজ্যভাষা অসমীয়া নিশকতীয়া বা নিষ্ক্ৰিয় হৈ গৈ থাকক। যাৰ ফলত, এদিন হয়তো অসম চৰকাৰ বা আন কোনো জাতীয় অনুষ্ঠানে অসমীয়া ভাষা 'বিলুপ্ত দিৱস'হে পালন কৰিব লাগিব।

অসমৰ জাতীয় ইতিহাসৰ পাঠক-পাঠিকা আৰু জাতীয় আন্দোলনৰ সংগ্ৰামীসকলৰ অৱগত যে অসমীয়া ৰাজ্যভাষা প্ৰয়োগৰ আইন গৃহীত হৈছিল (১৯৬০) অসমীয়া ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, বৃদ্ধ-বৃদ্ধা নিৰ্বিশেষে সকলো ৰাইজৰ দাবী আৰু আন্দোলনৰ ফলত— যি আন্দোলনত জনতাই কষ্ট নিৰ্যাতন, কাৰাৰুদ্ধ হোৱাৰ উপৰি চৰকাৰী বন্দুকধাৰী পুলিচ আৰু অসম বিৰোধী চক্ৰৰ দুৰ্বৃত্তৰ হাতত কেবাজনো ছাত্ৰ-যুৱকে প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। এই ৰাজ্যভাষা আন্দোলনত অসমৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান কটন কলেজৰ যোল্ল বছৰীয়া ছাত্ৰ ৰঞ্জিত বৰপূজাৰী (৪ জুলাই, ১৯৬০) কটন কলেজ ছাত্ৰাৱাসৰ বাৰান্দাত পুলিচৰ গুলীত, গীতিকাৰ সাংবাদিক সূৰ্য বৰা (৮ জুলাই, ১৯৬০), শিলিগুৰিৰ ৰেল ষ্টেচনত অসম বিৰোধী দুষ্কৃতিকাৰীৰ অমানৱীয় অত্যাচাৰ-উৎপীড়নত আৰু নগাঁৱৰ ৰাজপথত পোন্ধৰ বছৰীয়া কিশোৰ মফিজুদ্দিন হাজৰিকা (৯ জুলাই, ১৯৬০) দুৰ্বৃত্তৰ গুলীত অসম মাতৃৰ বুকু ৰাঙলী কৰি ছহিদ (শ্বহীদ) হয়। অসমীয়া ভাষাৰ সাংবিধানিক অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ আন্দোলন কৰি অসমৰ ৰাইজে নানা দুখ-দুৰ্গতি, নিৰ্যাতন ভোগ কৰাৰ উপৰি জীৱন আহুতি দিয়াৰ দৰে ঘটনা স্বাধীন ভাৰতৰ আন কোনো ৰাজ্যত ৰাজ্যভাষা প্ৰয়োগৰ ক্ষেত্ৰত ঘটাৰ উদাহৰণ নাই।

ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত (৩৪৪(১) আৰু ৩৫১ অনুচ্ছেদ) উল্লেখ থকা পোন্ধৰটা আঞ্চলিক ভাষাৰ ভিতৰত অসমীয়া অন্যতম। গতিকে সংবিধানস্বীকৃত অসমীয়া ভাষা ৰাজ্যভাষা হোৱাত বাধাৰ প্ৰাচীৰ থাকিবই নোৱাৰে। স্মৰ্তব্য যে বৃটিছে অসমৰ শাসনভাৰ লোৱাৰ দহ বছৰ পিছতে অৰ্থাৎ ১৮৩৬ চনৰপৰা বৃটিছ শাসকে অসমৰ আদালত, চৰকাৰী কাৰ্যালয়, বিদ্যালয় আদিৰপৰা অসমীয়া ভাষা উচ্ছেদ কৰিছিল। এই সময়ছোৱাতে যেনিবা সুদূৰ আমেৰিকাৰপৰা খৃষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা মাইলচ ব্ৰন্সন, ডঃ নাথান ব্ৰাউন, অলিভাৰ টি কটৰ প্ৰমুখ্যে কেইজনমান ধৰ্ম প্ৰচাৰকে অসমীয়া ছাত্ৰ আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিৰ লগত অসমীয়া ভাষাৰ মৌলিকতা আৰু প্ৰাচীনতা সম্পৰ্কে ইংৰাজ শাসকক যুক্তিৰে বুজাই দিয়াৰ ফলত ১৮৭২ চনত (৩৬ বছৰৰ মূৰত) অসমীয়া ভাষা পুনৰ প্ৰচলন হৈ চলি থাকিল।

অকল বৃটিছ শাসনত বুলিয়েই নহয়, ভাৰত স্বাধীন হোৱাৰ পিছতো অসম বিৰোধীৰ ষড়যন্ত্ৰত অসমীয়া ভাষা তিনিবাৰকৈ বিপৰ্যস্ত হৈছিল। ১৯৫৩ চনত ৰাজ্য পুনৰ গঠন আয়োগে স্বাধীন ভাৰতৰ ৰাজ্যসমূহ ভাষাভিত্তিক পুনৰ গঠন কৰিবলৈ সিদ্ধান্ত লোৱাত এই চক্ৰটোৱে অসমীয়া ভাষীৰ সংখ্যা কম দেখুৱাই অসমীয়া ভাষাৰ বিপৰ্যয় মাতি আনিছিল। আমি পূৰ্বতে উল্লেখ কৰা ১৯৬০ চনত জনসাধাৰণৰ নিৰ্যাতন, ত্যাগ আৰু তেজৰ বিনিময়ত চৰকাৰী ভাষা আইনমতে ৰাজ্য ভাষা অসমীয়া প্ৰয়োগ হোৱাৰ সিদ্ধান্ত গৃহীত হয়। জিলা পৰ্যায়ত কাছাৰত বঙলা ভাষা আৰু পাৰ্বত্য জিলা কেইখনত ইংৰাজী ভাষা প্ৰয়োগৰ সিদ্ধান্ত ৰাখিলে। অসমত অসমীয়া ভাষাৰ ক্ষেত্ৰত ৰাজ্যভাষা প্ৰয়োগ আইন কটকটীয়া নকৰা বাবে অসমৰ বিশ্ববিদ্যালয়ত অসমীয়া মাধ্যমত শিক্ষা দিয়াৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰতো ১৯৭২ চনত বাধাৰ সন্মুখীন হৈ অসমবাসী আকৌ আন্দোলনত জঁপিয়াই পৰিবলগা হয়, যাৰ ফলত সহস্ৰজন নিগৃহীত, নিৰ্যাতিত হোৱাৰ উপৰি পুলিচৰ গুলী আৰু দুষ্কৃতিকাৰীৰ আক্ৰমণ-অত্যাচাৰত মোজাম্মিল হক, অনিল বৰা, প্ৰমোদ-বলীন, নৰেন মহন্তই মৃত্যু বৰণ কৰি ভাষা জননীৰ শ্বহীদ হয়। ভাৰতৰ ইতিহাসত সভ্যতা-সংস্কৃতিত শীৰ্ষস্থান লাভ কৰা অন্যতম ৰাজ্য অসম আৰু ঐতিহ্যমণ্ডিত অসমীয়া ভাষাৰ এনে চৰম দুৰ্দশা আৰু ভাষা প্ৰতিষ্ঠাৰ কাৰণে আত্মবলিদান স্বাধীন ভাৰতৰ ইতিহাসৰ এক স্মৰণীয় অধ্যায়।

এই লেখাটোৰ আদ্যতে উল্লেখ কৰা 'দৈনিক অসম'ত প্ৰকাশিত কথাখিনিৰপৰা এই কথা নিশ্চিত যে চৰকাৰী ৰাজ্যভাষা আইন মানি নচলাটো দণ্ডণীয় অপৰাধ। যাৰ কাৰণে গুৱাহাটীৰ মাননীয় ছেছন ন্যায়াধীশে ভাষা-আইন অমান্য কৰা অপৰাধীক কাৰাদণ্ড আৰু নগদ টকা জৰিমনা আদায়ৰ হুকুম দিছিল। গতিকে বুজিব পাৰি যে চৰকাৰী ভাষা-আইন অমান্য কৰিলে চৰকাৰী-বেচৰকাৰী কাৰ্যালয় বা বিভাগ, শিক্ষানুষ্ঠান আদিৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী অপৰাধী হৈ দণ্ডনীয় হ'ব লাগিব।

**বহুত দেৰি হৈ গ'ল আৰু পলম নকৰি চৰকাৰ আৰু আন আন সকলো পক্ষই ১৯৬০ চনত গ্ৰহণ কৰা চৰকাৰী ভাষা-আইন মতে ৰাজ্যভাষা অসমীয়া আৱশ্যকীয় সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰি ভাৰতীয় সংবিধানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰক। এই ক্ষেত্ৰত অসমৰ জাতীয় অনুষ্ঠান সমূহে অতন্দ্ৰ প্ৰহৰীৰ ভূমিকা সচেতনাৰে পালন কৰা যুগুত হ'ব।**

চৰকাৰী ৰাজ্যভাষা আইন গ্ৰহণ কৰাৰ বাৱন্ন বছৰ কাল হোৱাৰ মুহূৰ্ততো অসমৰ চৰকাৰী বিভাগ, আদালত, কাৰ্যালয়, বিভিন্ন প্ৰতিষ্ঠান আদিত অসমীয়া ভাষাক এলাগী কৰা দেখা গৈছে। ৰাজধানী, মহানগৰ, নগৰ আদিৰ কাৰ্যালয়বোৰত অসমীয়া ভাষাৰ ব্যৱহাৰ হ্ৰাস পাই আহিছে। কিছুমান কাৰ্যালয়ত সহকাৰীসকলে নথি-পত্ৰ, আবেদন আদিত ইংৰাজীত টোকা নিদিলে এক শ্ৰেণী বিষয়া ক্ষুণ্ণ হোৱাৰ কথা জনা যায়। আমি ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ প্ৰশাসনীয় কেবাটাও বিভাগ, বিদ্যালয়ৰ কাৰ্যালয় আদিৰ লগত যোগাযোগ কৰি আৰু নিজে গৈ পোৱা অভিজ্ঞতাৰপৰা কাৰ্যালয়সমূহত অসমীয়া ব্যৱহাৰৰ কথা তেনেই অসাৰ যেন লগা হৈছে। দিনে দিনে অসমীয়া ৰাজ্যভাষা চৰকাৰৰ অনীহা-অমনোযোগ অন্তঃসাৰশূন্যতাৰ কাৰণে এচাম মন্ত্ৰী-বিধায়ক, চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে ৰাজ্যভাষা আইনক কেৰেপকে নকৰা হৈছে। ৰাজ্যভাষা অসমীয়া যেন ঐচ্ছিকহে, অৱশ্য বা বাধ্যতামূলক নহয়।

অসমৰ বৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভা, যিকোনো জাতীয় সমস্যাত অগ্ৰণী ভূমিকা লোৱা সদৌ অসম ছাত্ৰ সন্থা আৰু আন আন জাতীয় সংগঠনে অসমীয়া জাতি-ভাষা-সংস্কৃতিৰ দুৰ্গতি, অধোগতি দেখিলে জনতাক উদ্বুদ্ধ কৰি আন্দোলনত অংশ গ্ৰহণ কৰায়। যাৰ ফলত, নানাজন অশেষ নিৰ্যাতনৰ সন্মুখীন হোৱাৰ উপৰি প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছে।

প্ৰতীকত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতাংশ ব্যৱহাৰ কৰা পতাকাৰ তলত সমৱেত হৈ সমস্বৰে ভাষা জননীৰ জয়গীতি গোৱা অসম সাহিত্য সভাই ৰাজ্যভাষা অসমীয়া আদালত, কাৰ্যালয় আদিত আনকি বিজ্ঞাপনফলক আদিতো প্ৰয়োগৰ ক্ষেত্ৰত কোনো দৃঢ় পদক্ষেপ লোৱা দেখা নাই। মাথোন সভা-সমিতি, সমদল-শোভাযাত্ৰা, চিঠি-পত্ৰ আদিত চৰকাৰী ভাষা-আইন প্ৰয়োগ কৰাৰ কাকুতি ধ্বনিতে ক্ষান্ত হৈ আছে।

বাৱন্নটা মকৰ সংক্ৰান্তি পাৰ হ'ল। বহুত দেৰি হৈ গ'ল আৰু পলম নকৰি চৰকাৰ আৰু আন আন সকলো পক্ষই ১৯৬০ চনত গ্ৰহণ কৰা চৰকাৰী ভাষা-আইন মতে ৰাজ্যভাষা অসমীয়া আৱশ্যকীয় সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰি ভাৰতীয় সংবিধানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰক। এই ক্ষেত্ৰত অসমৰ জাতীয় অনুষ্ঠান সমূহে অতন্দ্ৰ প্ৰহৰীৰ ভূমিকা সচেতনাৰে পালন কৰা যুগুত হ'ব।